Total No. of Printed Pages—3

**4 SEM TDC ASM M 2**

**2 0 1 4**

( May )

ASSAMESE

( Major )

Course : 402

**( অসমৰ ভাষা আৰু লিপি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় শাখাৰ ভাষাসমূহৰ নাম উল্লেখ কৰি ইবোৰৰ প্ৰচলিত স্থানসমূহ নিৰ্ণয় কৰাঁ। এই শাখাৰ ভাষাসমূহৰ ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ। ৩+৪+৮=১৫

*অথবা*

(খ) অসমৰ টাই-মূলীয় ভাষা-পৰিয়ালৰ পৰিচয়মূলক এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৫

২। (ক) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) মান্য অসমীয়া ভাষা আৰু কামৰূপী উপভাষাৰ ভাষিক বৈশিষ্ট্যৰ এটি তুলনা দাঙি ধৰাঁ।

৩। কাৰ্বি *অথবা* খামতি ভাষাৰ ৰূপগত দিশৰ ভাষাগত বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰাঁ। ১৪

৪। (ক) 'অসমীয়া ভাষাৰ ৰূপগত দিশত আৰ্য-ভিন্ন ভাষাৰ উপাদান' শীৰ্ষক এটি আলচ যুগুত কৰাঁ। ১৫

*অথবা*

(খ) বড়ো আৰু মিচিং ভাষাত অসমীয়া ভাষাৰ শব্দগত উপাদান সম্পৰ্কে আলোচনা কৰাঁ।

৫। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) ব্ৰাহ্মী লিপি

(খ) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(গ) বামুনীয়া লিপি

(ঘ) অসমৰ জনজাতীয় ভাষাত ৰোমান লিপিৰ প্ৰয়োগ

(ঙ) কাইথেলী লিপি

৬। চমু উত্তৰ লিখাঁ : ১×৬=৬

(ক) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম লিখাঁ।

(খ) ভাৰতীয় কোন লিপিমালাৰ পৰা অসমীয়া লিপি ওলাইছে?

(গ) অসমীয়াত স্বৰৰ দীৰ্ঘ উচ্চাৰণ পোৱা যায়নে?

(ঘ) অসমীয়া লিপি-বিষয়ক প্ৰকাশিত প্ৰথম গ্ৰন্থখনৰ নাম লিখাঁ।

(ঙ) মিচিং ভাষাত নাসিক্য ধ্বনিৰ উচ্চাৰণ কেইটা পোৱা যায়?

(চ) অসমীয়া উপভাষা সম্পৰ্কে গৱেষণা কৰা প্ৰথম গৱেষকজনৰ নাম লিখাঁ।

★★★